# 2022

## ASSAMESE

Paper : ASM–RE–6016/6026

( Regular Elective )

Paper : ASM–RE–6016

( ছন্দ আৰু অলংকাৰ )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা (যি কোনো দহটা) : ১×১০=১০

(ক) ছন্দৰ মূল কথা কি?

(খ) 'অসমীয়া ছন্দৰ শিল্পতত্ত্ব' গ্ৰন্থখনৰ ৰচক কোন?

(গ) মাত্ৰা কাক বোলে?

(ঘ) শংকৰদেৱে কুসুমমালা ছন্দত ৰচনা কৰা কাব্যগ্ৰন্থখনৰ নাম কি?

(ঙ) অসমীয়া পুৰণি সাহিত্যত ব্যৱহৃত আটাইতকৈ দীঘলীয়া ছন্দটোৰ নাম কি?

(চ) বীৰৰস সৃষ্টি কৰিবলৈ বা যুদ্ধৰ বৰ্ণনা দিবলৈ প্ৰাচীন অসমীয়া কবিসকলে সাধাৰণতে কোনটো ছন্দ ব্যৱহাৰ কৰিছিল?

(ছ) অমিত্ৰাক্ষৰ ছন্দত ৰচিত এখন অসমীয়া কাব্যৰ নাম লিখা।

(জ) 'নাট্যশাস্ত্ৰ'ৰ ৰচক কোন?

(ঝ) অলংকাৰ শাস্ত্ৰৰ প্ৰথমগৰাকী আচাৰ্যৰ নাম লিখা।

(ঞ) কাব্যত অলংকাৰ প্ৰয়োগৰ মুখ্য প্ৰয়োজনীয়তা কি?

(ট) "কাব্যংগ্ৰাহ্যমলংকাৰাৎ। সৌন্দৰ্য্যমলংকাৰঃ"

কথাষাৰ কোনজন আলংকাৰিকে কৈছিল?

(ঠ) 'শ্লেষ' শব্দৰ অৰ্থ কি?

(ড) "ই কথা নহয় জানা কথা পুৰুষৰ"—ইয়াত কি অলংকাৰৰ প্ৰয়োগ হৈছে?

(ঢ) 'সাদৃশ্যগৰ্ভ' শ্ৰেণীৰ অন্তৰ্গত এবিধ অলংকাৰৰ নাম লিখা।

(ণ) বক্ৰোক্তি কেইপ্ৰকাৰৰ?

২। চমু উত্তৰ লিখা (যি কোনো পাঁচটা) : ২×৫=১০

(ক) অক্ষৰ কাক বোলে ?

(খ) অলংকাৰৰ প্ৰধান ভাগ দুটা কি কি ?

(গ) অলংকাৰ প্ৰয়োগৰ গৌণ প্ৰয়োজন দুটা কি কি ?

(ঘ) প্ৰাচীন অসমীয়া সাহিত্যত আটাইতকৈ বেছি ব্যৱহৃত ছন্দবিধৰ নাম লিখা। ইয়াৰ অক্ষৰসংখ্যা কিমান ?

(ঙ) অনুপ্ৰাস শব্দৰ অৰ্থ কি ?

(চ) অলংকাৰৰ দুটা বৈশিষ্ট্য লিখা।

(ছ) সংস্কৃত ভাষাত ৰচিত দুখন অলংকাৰশাস্ত্ৰৰ নাম লিখা।

(জ) ব্যাজ আৰু স্তুতি—শব্দ দুটাৰ অৰ্থ লিখা।

৩। সংজ্ঞা লিখি উদাহৰণসহ বিশ্লেষণ কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) দুলড়ী

(খ) ছবি

(গ) ঝুমুৰী

(ঘ) কুসুমমালা

(ঙ) যমক

(চ) বক্ৰোক্তি

(ছ) ভ্ৰান্তিমান

(জ) ব্যাজস্তুতি

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) কাব্যত ছন্দৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(খ) অসমীয়া ছন্দৰ ত্ৰিধাৰা সম্পৰ্কে আলোচনা কৰা।

(গ) প্ৰাচীন আৰু আধুনিক অসমীয়া কবিতাত পদ-ছন্দৰ প্ৰয়োগ কিদৰে হৈছে, ফঁহিয়াই দেখুওৱা।

(ঘ) অনুপ্ৰাস ছন্দৰ সংজ্ঞা লিখি ইয়াৰ প্ৰকাৰসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(ঙ) কাব্যত অলংকাৰ প্ৰয়োগৰ মুখ্য প্ৰয়োজনীয়তা সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(চ) "সকলো তুলনাই উপমা নহয়" উপমা অলংকাৰ হ'বলৈ হ'লে কি কি নিবন্ধনৰ প্ৰয়োজন, উদাহৰণসহ আলোচনা কৰা।

(ছ) উপমা অলংকাৰক কেইটা ভাগত ভগাব পাৰি? প্ৰতিটো ভাগৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(জ) ৰূপক অলংকাৰৰ প্ৰকাৰভেদ সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(ঝ) অসমীয়া কবিতাত মুক্তক ছন্দৰ প্ৰয়োগ সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(ঞ) কাব্যত অলংকাৰৰ স্থান মুখ্য নে গৌণ—দুগৰাকীমান আলংকাৰিকৰ মতামতসহ আলোচনা কৰা।

Paper : ASM–RE–6026

( অভিযোজনা )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। যি কোনো দহটা প্ৰশ্নৰ উত্তৰ অতি চমুকৈ লিখা : ১×১০=১০

(ক) অনুবাদৰ এটা সৰল, সাধাৰণ সংজ্ঞা দাঙি ধৰা।

(খ) মাৰ্ক টোৱেইনৰ এখন উপন্যাসৰ নাম লিখা।

(গ) একে ঠালৰ আৱৰ্ততে কৰা অভিযোজনাৰ এটা উদাহৰণ দিয়া।

(ঘ) ভৱেন্দ্ৰনাথ শইকীয়াৰ 'অন্তৰীপ' নামৰ উপন্যাসখনৰ পৰা অভিযোজিত চলচ্চিত্ৰখনৰ নাম কি?

(ঙ) সম্পূৰ্ণ অনুবাদ সম্ভৱনে?

(চ) এটা ঠালৰ পৰা আন এটা ঠাললৈ কৰা অভিযোজনাৰ এটা উদাহৰণ দিয়া।

(ছ) অনুবাদ তত্ত্ব সম্পৰ্কে ৰচিত এখন অসমীয়া গ্ৰন্থৰ নাম লিখা।

(জ) 'Translation Studies' নামৰ কিতাপখনৰ লেখক কোন?

(ঝ) লক্ষ্মীনন্দন বৰাৰ 'গঙা চিলনীৰ পাখি' উপন্যাসখন কোনখন ঠাইৰ পটভূমিত ৰচিত?

(ঞ) বাল্মীকিৰ ৰামায়ণখন প্ৰথমে কোনে অসমীয়ালৈ অনুবাদ কৰে?

(ট) কোনজন জাৰ্মান সমালোচক, অনুবাদকৰ মতে—'মানৱ মনে অনবৰতে অনুবাদেই কৰি থাকে'?

(ঠ) 'তেজীমলাৰ সাধু'ৰ এটি অভিযোজিত ৰূপৰ নাম লিখা।

(ড) ৰামায়ণৰ সীতাৰ কাহিনীৰ কেইবাটাও অভিযোজন অসমীয়াত হৈছে। তাৰে যি কোনো এটিৰ নাম লিখা।

(ঢ) অভিযোজন প্ৰক্ৰিয়াত লেখকৰ ওপৰত সমকালীন সমাজ-মানসিকতাই প্ৰভাৱ পেলায়নে?

(ণ) এজন অনুবাদকৰ মাজত থাকিবলগীয়া এটি গুণৰ নাম লিখা।

২। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ চমুকৈ লিখা : ২×৫=১০

(ক) অনুবাদ আৰু অভিযোজনাৰ দুটা পাৰ্থক্য লিখা।

(খ) অনুবাদৰ প্ৰধান ভাগ কেইটা আৰু কি কি?

(গ) অনুবাদ আৰু অনুসৃষ্টিৰ মাজৰ দুটা সাদৃশ্য লিখা।

(ঘ) একে ঠালৰ ভিতৰতে হোৱা অভিযোজনাৰ দুটা সুবিধা কি কি?

(ঙ) একে ঠালৰ মাজত হোৱা অভিযোজনাৰ দুটা অসুবিধা কি কি?

(চ) পৃথক ঠালৰ মাজত হোৱা অভিযোজনাৰ দুটা সুবিধা কি কি?

(ছ) অনুবাদ অধ্যয়নৰ দুটা লক্ষ্য কি কি?

(জ) পৃথক ঠালৰ মাজত হোৱা অভিযোজনাৰ অসুবিধা দুটা লিখা।

৩। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) অনুবাদ বিজ্ঞান নে কলা—যুক্তি দিয়া।

(খ) অনুবাদৰ এটা প্ৰকাৰৰূপে অভিযোজনাৰ বিষয়ে লিখা।

(গ) অনুবাদৰ স্বৰূপ আৰু ধৰণ সম্পৰ্কে থকা দুটা মতবাদ লিখা।

(ঘ) অনুবাদৰ উৎস ভাষা আৰু লক্ষ্য ভাষা বুলিলে কি বুজা?

(ঙ) অভিযোজনা কেতিয়াবা মূলতকৈও অধিক জনপ্ৰিয় হ'ব পাৰে। এই যুক্তিৰ সমৰ্থনত এটি টোকা লিখা।

(চ) 'হাকলবেৰী ফিন'ৰ এটি ৰোমাঞ্চকৰ ঘটনাৰ বিষয়ে লিখা।

(ছ) 'গঙা চিলনীৰ পাখি'ত প্ৰকৃতিৰ যি মনোমোহা চিত্ৰ আছে তাৰ এটি আভাস দিয়া।

(জ) অনুবাদৰ গুৰুত্ব সম্পৰ্কে এটি চমু টোকা লিখা।

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) *(i)* Taken in my hand
it will vanish in hot tears
autumn frost

*(ii)* হাতত ল'লেই
উমাল চকুলোত মিলি হেৰাই যাব
শৰতৰ হিম

*(i)* আৰু *(ii)* দুয়োটা অংশৰ ভাৱ-প্ৰকাশ দক্ষতাৰ এটি তুলনা কৰা।

(খ) বেলি প্ৰায় পাতত বহিছে। আকাশ সুন্দৰ নিৰ্মল। এই বাক্য দুটাৰ অনুবাদৰূপে—The Sun was below the zenith; the sky beautifully pristine—এই বাক্যটো কিমান যথাৰ্থ হৈছে, আলোচনা কৰা। আলোচনাত অনুবাদৰ সমস্যা সম্পৰ্কেও অৱগত কৰিব লাগিব।

(গ) 'হাকলবেৰী ফিন'ৰ অভিযোজনাত বন্দিতা ফুকনে মূল গ্ৰন্থখনৰ সাংস্কৃতিক পটভূমি ৰক্ষা কৰিব পাৰিছেনে—মূল পাঠ আৰু অভিযোজিত পাঠৰ তুলনাৰে এটি প্ৰবন্ধ যুগুত কৰা।

(ঘ) *(i)* টোপনিতো তেওঁ মোক খেদি ফুৰিছিল
তেওঁবাৰু এতিয়া ক'ত আছে
আছেনে বাৰু তেওঁৰ মুখত
সেই উভালি পৰা এজোপা গছ
ওঁঠ দুখনত আছে নে বৈ
পানী ৰঙা হোৱা দুখন নৈ

*( নীলমণি ফুকন )*

*(ii)* She's been pursuing me even in
my sleep
well, where could she be now
Could that uprooted tree be there
upon her face
Could those two black be there
In her eyes

*( Krishna Dulal Baruah )*

ওপৰৰ অসমীয়া কবিতাংশৰ ইংৰাজী অনুবাদ সঠিক হোৱা বুলি তুমি ভাবানে? আলোচনা কৰা।

(ঙ) 'বুঢ়ী আইৰ সাধু'ত থকা যি কোনো এটি সাধুৰ কাব্যিক অথবা নাটকীয় অভিযোজনা প্ৰস্তুত কৰা।

(চ) 'গঙা চিলনীৰ পাখি' চলচ্চিত্ৰখনৰ সংলাপসমূহে একে নামৰ উপন্যাসখনৰ বৃহৎ কাহিনীভাগ প্ৰকাশ কৰাত সফলতা অৰ্জন কৰিছেনে—যুক্তি আৰু উদাহৰণৰ সৈতে আলোচনা কৰা।

(ছ) সৃষ্টিশীল গদ্যৰ অভিযোজনাৰ সুবিধা-অসুবিধাসমূহৰ বিষয়ে লিখি এটি প্ৰবন্ধ যুগুত কৰা। প্ৰবন্ধটিত ৰজনীকান্ত বৰদলৈৰ 'মিৰি জীয়ৰী' উপন্যাসৰ ইংৰাজী অভিযোজনাৰ অথবা আন যি কোনো সৃষ্টিশীল গদ্যৰ অভিযোজনাৰ পৰা উদাহৰণ দিবা।

(জ) *(i)* যেতিয়া দেখোঁ যে ওৰে দিনটো কাম কৰি খাটিখুটি আহিছোঁ, অথচ লগুৱাই ধঁপাত এচিলিমকে সজাই দিয়া নাই, ঘৰৰ ঘৈণীয়ে কি কাৰণত ক'ব নোৱাৰোঁ, মুখখন ওন্দোলাই ওফোন্দাই বহি আছে...

*(ii)* When at the end of the day I come back home weary and find that my servant has not prepared my pipe of tobacco and my wife, for reasons not known, sits there with her checks all puffed up...

*(i)* আৰু *(ii)* অংশৰ তুলনা কৰি জতুৱা ঠাঁচৰ আৰু কথ্য ভাষাৰ অনুবাদৰ জটিলতা সম্পৰ্কে আলোচনা কৰা।

(ঝ) এটা ভাষাৰ পৰা আন এটা ভাষালৈ কৰা অভিযোজনাত বিষয়বস্তুয়ে কেনেদৰে থলুৱা চিত্ৰ গ্ৰহণ কৰে, উদাহৰণসহ আলোচনা কৰা।

(ঞ) অনুবাদ আৰু অভিযোজনাৰ প্ৰাসংগিকতা সম্পৰ্কে এটি প্ৰবন্ধ লিখা।

★★★